**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-09 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

--------------------

নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে ৰাজ্যত এতিয়ালৈ ৩ জন লোকে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে। বিগত দুবছৰত অসমত ১২ জন লোকে ভাৰতীয় নাগৰিকত্বৰ বাবে আৱেদন কৰিছিল যদিও ইয়াৰে ৯ খন আৱেদন বিবেচনাধীন হৈ আছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ গুৱাহাটী পৌৰসভাৰ অন্তৰ্গত জালুকবাৰীৰ ৰামচাৰী আঞ্চলিক গাওঁ পঞ্চায়তত আয়োজিত ৰাজহুৱা সভাত এই মন্তব্য কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই অনুষ্ঠানতে মহিলা উদ্যমিতা আঁচনিৰ অন্তৰ্গত মহিলা হিতাধিকাৰীক চেক প্ৰদান কৰে। আজাৰাৰ কাহিকুঁচি শ্যামভূমি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এই অনুষ্ঠানত আত্মসহায়ক গোটৰ অন্তৰ্গত ৭ হাজাৰ ৪৭৪ গৰাকী মহিলা হিতাধিকাৰীক এই চেকসমূহ প্ৰদান কৰা হয়। প্ৰাৰম্ভিকভাৱে এই চেকসমূহত হিতাধিকাৰীসকলক ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনাই যে মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে বৰ্তমানৰ স্বনিৰ্ভৰশীল মহিলাসকলক সবল কৰি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। উদ্যমিতা আঁচনিৰ বহু লাখপতি বাইদেউৰ সৃষ্টি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

বি টি আৰ পৰিষদীয় নিৰ্বাচন সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই পূৰ্বতকৈ এইবাৰ বি টি চিত বিজেপিৰ ফলাফল উন্নত হ'ব বুলি আশা প্ৰকাশ কৰে। বি টি চি নিৰ্বাচনত বিজেপিয়ে কাৰো সৈতে সংঘাতত লিপ্ত নহয় বিজেপিয়ে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি তেওঁ কয়।

গুৱাহাটীত কৃত্ৰিম বান সন্দৰ্ভত সাংবাদিকৰ আগত তেওঁ কয়, যে মেঘালয়ৰ পৰা নামি অহা পানীৰ ফলত যোৰাবাট আৰু ইয়াৰ সমীপৱৰ্তী এলেকাসমূহত বানৰ সৃষ্টি হয়। এই সন্দৰ্ভত মেঘালয়ৰ সৈতে উচ্চতম ন্যায়ালয়ত এটা গোচৰৰ শুনানি চলি আছে। অহা ১৭ ছেপ্তেম্বৰত এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উল্লেখ কৰে।

ooooo

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰে আজি ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন কৰা হৈছে। ১৯৬৬ চনৰ এছিয়ান গেম্‌ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত বিয়লি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত সৰুসজাই ক্ৰীড়া প্ৰকল্পক অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প হিচাপে নামকৰণ কৰা হৈছে। এই অনুষ্ঠানতে ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পদক বিজয়ী অসমৰ খেলুৱৈসকলক নিযুক্তি পত্ৰ আৰু আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হয়। তদুপৰি ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা ঘোষণা আৰু ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হয়। খেল' ইণ্ডিয়া, ২০২৫ বৰ্ষৰ পদক বিজয়ীসকলক আৰ্থিক পুৰস্কাৰ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলক বীৰ চিলাৰায় বঁটাও প্ৰদান কৰা হয়। ৰাজ্যিক সেৰা আঁচনিৰ বঁটাসমূহো এই অনুষ্ঠানতে বিতৰণ কৰা হয়। ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে খেল মহাৰণ বিষয়ক গ্ৰন্থ উন্মোচন কৰা হয়।

ইপিনে, ক্ৰীড়াবিদগৰাকীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হয়। এই অনুসৰি দিৱসৰ মূল কাৰ্যসূচী – সামুহিক দৌৰ এইবাৰ সৰুসজাই

ক্রীড়া প্রকল্পত আৰম্ভ হৈ ভেটাপাৰা হকী ষ্টেডিয়াম পৰিভ্ৰমণ কৰি পুনৰ সৰুসজাইৰ মূল এথলেটিক ষ্টেডিয়ামত সামৰণি পৰে।

গোৱালপাৰাতো আজি অভিৰুচি ক্রীড়া দিৱস উদযাপন কৰা হয়। গোৱালপাৰা ক্রীড়া সন্থাৰ উদ্যোগত আজি পুৱাৰ ভাগত সামুহিক দৌৰ কাৰ্যসূচী আৰু দিনৰ ভাগত খেল ধেমালি অনুষ্ঠিত হয়। বিশ্বনাথ জিলাৰ বিহালী সমষ্টিত বেদেতিত আজি অভিৰুচি ক্রীড়া দিৱস উদযাপন কৰা হয়। এই উপলক্ষে বিভিন্ন ক্রীড়া প্রতিযোগিতা অনুষ্ঠিত হয়। কামৰূপ জিলাৰ ৰঙিয়াত আজি  অভিৰুচি ক্রীড়া দিৱস উপলক্ষে সামুহিক দৌৰ অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিধায়ক ভবেশ কলিতাৰ লগতে জিলা প্রশাসনৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

মঙলদৈত আজি নৰ্থ-মঙলদৈ ক্লাবৰ উদ্যোগত অভিৰুচি ক্রীড়া দিৱস অনুষ্ঠিত কৰা হয়। এই উপলক্ষে বক্সিং খেলুৱৈ যমুনা বড়ো, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগ ক্রীড়াবিদ বিশাল ভৰদ্বাজ আৰু ৰাজ্যিক পৰ্যায়ৰ প্রাক্তন ফুটবল, কাবাডী আৰু খো খো খেলুৱৈ তথা ক্রীড়া সংগঠক গণেশ দত্তক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে সমূহীয়া দৌৰ ফ্লেগ অফ কৰে।

ooooo

স্বচ্ছ আৰু শৃংখলাবদ্ধ চহৰ হিচাপে গঢ়ি তুলিবলৈ কাচাৰ জিলাৰ শিলচৰত আজি উচ্ছেদ অভিযান চলোৱা হয়। শিলচৰ পৌৰসভাই পদ আৰু পদপথসমূহ অবৈধভাৱে দখল কৰি থকা দোকানসমূহ উচ্ছেদ কৰে। এই অভিযানৰ সমান্তৰালভাৱে পৌৰসভা কৰ্তৃপক্ষই নতুনকৈ অন্তৰ্ভুক্ত কৰা অঞ্চলসমূহৰ ব্যৱসায়ীসকলৰ সৈতে বৈঠকত মিলিত হয় আৰু বৈধ বাণিজ্যিক অনুজ্ঞাপত্ৰ সন্দৰ্ভত আলোকপাত কৰে।

ooooo

সমাপ্ত